Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৩

পণ্ডিত আনন্দৰাম বৰুৱা

অংশ – ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১৮৭০ চন। অসমৰ এজন মেধাসম্পন্ন যুৱকে ভাৰতীয় প্ৰশাসনিক সেৱাৰ (আই.চি.এছ) প্ৰতিযোগিতামূলক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল।

কিন্তু উত্তীৰ্ণ হৈও তেখেতে স্বীকৃতিৰ বাবে থমকি ৰ'ব লগা হৈছিল।



সুখ্যাতি- সুনাম, যশস্যা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কাৰণ, এই পৰীক্ষাত উত্তীর্ণ বুলি ঘোষিত হ'বলৈ যি ন্যূনতম বয়সৰ প্রয়োজন, যুৱকজনৰ সেই বয়স হোৱা নাছিল। এই লৈ বিলাতৰ পার্লামেন্টত তুমুল বিতর্কৰ সৃষ্টি হৈছিল। তেতিয়া ব্রিটিছ পার্লামেন্টৰ সন্মানীয় এগৰাকী সদস্য মিঃ গ্রেন্ট ডাফে পার্লামেন্টক পতিয়ন নিয়াবলৈ চেষ্টা কৰি যুক্তি দর্শাইছিল—

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'আমি এই সিদ্ধান্তত উপনীত হওঁতে আহঁ. চি. এছ. পৰীক্ষাৰ নিয়মাৱলীৰ ভিতৰুৱা উদ্দেশ্যলৈহে কাণ দিছোঁ। যিজন ছাত্রই সুদূৰ ব্রহ্মপুত্র উপত্যকাৰ পৰা আহিঁ ইমান প্রতিযোগীৰ মাজতো সুখ্যাতিৰে এই পৰীক্ষাত উত্তীর্ণ হ'ব পাৰিছে, তেখেতৰ আকাংক্ষাৰ বাটত আমি একো প্রতিবন্ধকতা জন্মাবৰ ইচ্ছা নকৰোঁ।'

প্রতিযোগী- প্রতিদ্বন্দ্বী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এইদৰে মহামতি মিঃ গ্ৰেন্ট ডাফেৰ মহানুভৱতাৰ ফলতেই এই বিতৰ্কৰ পৰা ৰক্ষা পোৱা মেধাৰী যুৱকজনেই হ'ল আনন্দৰাম বৰুৱা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'চেষ্টাৰ অসাধ্য একো নাই' বুলি এষাৰ কথা আছে। আনন্দৰাম বৰুৱাৰ ক্ষেত্ৰত এই কথাষাৰ আখৰে আখৰে ফলিয়াইছিল। তেখেতে আই. চি. এছ. পৰীক্ষাত সপ্তম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কঠোৰ অধ্যৱসায় আৰু দৃঢ় মনোবলৰ বাবেই তেখেতে এই কঠিন লক্ষ্যত উপনীত হ'ব পাৰিছিল।

অধ্যৱসায়- নেৰা নেপেৰাকৈ লাগি থকা কাৰ্য

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেখেতৰ পিতৃ গৰ্গৰাম বৰুৱা আৰু মাতৃ দুৰ্লভেশ্বৰী বৰুৱা। মাক-দেউতাকৰ তৃতীয় সন্তান আনন্দৰাম বৰুৱাৰ ইংৰাজী ১৮৫০ চনৰ মে' মাহৰ ২১ তাৰিখে উত্তৰ গুৱাহাটীৰ ৰজা দুৱাৰত জন্ম হৈছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পণ্ডিতপ্ৰৱৰ চিভিলিয়ান আনন্দৰাম বৰুৱাই কামৰূপৰ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশৰ লগতে অসমৰ নাম উজ্জ্বল কৰি থৈ গৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অসমত সেই সময়ত কলেজ নথকাত আনন্দৰাম বৰুৱাই প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলকাতাৰ প্ৰেছিডেন্সী কলেজত নাম ভৰ্তি কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেই কলেজৰ পৰাই তেখেতে এফ. এ. পৰীক্ষাত সুখ্যাতিৰে উত্তীর্ণ হৈ গণিতত সর্বোচ্চ নম্বৰ সহ 'ডাফ স্কলাৰছিপ' পায়।

সেই সময়ৰ ভাৰতত থকা ইংৰাজ চৰকাৰে ছাত্রক উচ্চ শিক্ষাৰ বাবে বৃত্তি দি বিলাতলৈ পঠিয়াইছিল। তেখেতে এই বৃত্তি লাভ কৰি লণ্ডনত বেৰিষ্টাৰী পঢ়ি সুখ্যাতিৰে উত্তীর্ণ হৈছিল।

সুখ্যাতি- সুনাম, যশস্যা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

স্বদেশলৈ উভতি আহি তেখেতে পোনপ্রথমে শিৱসাগৰ জিলাত সহকাৰী মেজিষ্ট্রেট হিচাপে যোগদান কৰে। তাৰ পাছত তেখেতে মৈমনসিংহ জিলাৰ সহকাৰী মেজিষ্ট্রেট আৰু কালেক্টৰ হিচাপে নিযুক্তি লাভ কৰে।

মৈমনসিংহ : মৈমনসিং হ'ল অবিভক্ত ভাৰতৰ পূৰ্ববংগৰ এখন জিলাৰ নাম। বৰ্তমান ই বাংলাদেশৰ এখন জিলা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এনেদৰে বিভিন্ন জিলাত উচ্চ পদস্থ বিষয়া হিচাপে কার্যনির্বাহ কৰি ১৮৮৪ চনত নোৱাখালি জিলাৰ মেজিষ্ট্রেট হিচাপে নিযুক্ত হয়।

নোৱাখালি : অবিভক্ত ভাৰতৰ পূৰ্ববংগৰ এখন জিলাৰ নাম। বর্তমান ই বাংলাদেশৰ অন্তর্ভুক্ত এখন গুৰুত্বপূর্ণ জিলা।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

নোৱাখালিত থাকোঁতে তেখেতে বংগদেশৰ উন্নয়নমূলক কাম কৰাৰ উপৰি আৰু তাত এটি গুৰুত্বপূৰ্ণ কাম আৰম্ভ কৰে। অসমৰ দৰে বংগদেশতো অঞ্চলভেদে ভাষাৰ ভিন্নতা আছিল। এই ভিন্নতা দূৰ কৰাৰ কাৰণে বংগদেশৰ ভাষাবিদসকলে মান্যভাষাত এখন অভিধানৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেখেতে এই গুৰুত্বপূৰ্ণ কামটো হাতত লৈছিল যদিও সম্পূৰ্ণ কৰিব নোৱাৰিলে।

তেখেতৰ অগাধ পাণ্ডিত্য, আকৰ্ষণীয় ব্যক্তিত্ব আৰু বিভিন্ন উন্নয়নমূলক কাৰ্যই বংগৰ নোৱাখালিৰ ৰাইজক মুগ্ধ কৰিছিল। নোৱাখালিত তেখেতৰ নামেৰে স্কুল, বজাৰ স্থাপন আৰু পুখুৰী খন্দা কাৰ্যই তাৰ প্ৰমাণ। সেইকালত স্ত্ৰী-শিক্ষা প্ৰচাৰৰ বাবে তেখেতে নোৱাখালিত এখন বালিকা বিদ্যালয়ো স্থাপন কৰিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সংস্কৃত ভাষাৰ অমৃত মন্থনেই আছিল তেখেতৰ জীৱনৰ একক ব্ৰত। তেখেতৰ দৃঢ় অভিপ্ৰায় আছিল বিশ্বৰ বুকুত ভাৰতীয় ভাষা শিক্ষাৰ গৌৰৱ বিলোৱা। এই উদ্দেশ্যৰেই তেখেতে প্ৰাচীন ভাষা সাহিত্যৰ পুনৰুদ্ধাৰৰ বাবে চেষ্টা কৰিছিল। তেখেতৰ আশাশুধীয়া অধ্যয়নৰ ফলস্বৰূপে সৃষ্টি হৈছিল 'ব্যৱহাৰোপযোগী ইংৰাজী-সংস্কৃত

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অভিধান', 'উচ্চ সংস্কৃত ব্যাকৰণ', 'সংস্কৃত শিক্ষার্থী সহচৰ' আৰু 'সৰস্বতী কণ্ঠাভৰণ'ৰ দৰে কালজয়ী অমৰ ৰচনাৱলী। তেখেতৰ পাণ্ডিত্যত বিমুগ্ধ হৈ সেই সময়ৰ প্রখ্যাত কবি মেকমিলানে এই স্তৱকটি লিখিছিল- 'এটা নাম আছে, যাৰ পৰশত পুৱাৰ পৰা সন্ধিয়ালৈকে, সন্ধিয়াৰ পৰা পুৱতিলৈকে মই থিৰেৰে থাকিব নোৱাৰা হৈছোঁ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোরে পঢ়ো সকলোরে আগবাঢ়ো

ই নিজৰাৰ কুলু কুলু শব্দ নহয়, নাইবা হেমন্ত কালৰ গছৰ পাতৰ ৰিব ৰিব বতাহৰ হেন্দোলনি নহয়, ই লাৱণ্যময়ী যুৱতীৰ নাম নহয়, নাইবা দুপৰ নিশাৰ অমৃত বৰষা বুল বুলৰ ধ্বনিও এই নামত নাই। এই নামটো আন কাৰো নহয়- অলপতে আই. চি. এছ. পাছ কৰা আনন্দৰাম বৰুৱাৰ।'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অসমৰ গৌৰৱ এই জনা মনীষীয়ে ১৮৮৯ চনৰ ১৯ জানুৱাৰীত বংগদেশত আকস্মিকভাৱে মৃত্যুবৰণ কৰে। জীৱনৰ মূল্যায়ন যে দীৰ্ঘজীৱনৰ সলনি কর্মকৃতিৰ জৰিয়তেহে হয়, এই কথা সুন্দৰভাৱে তেখেতে প্ৰমাণ কৰি থৈ গৈছে। ঊনচল্লিছ বছৰীয়া চুটি জীৱনত চিৰকুমাৰ আনন্দৰাম বৰুৱাই সংস্কৃত ভাষা-সাহিত্যলৈ অমূল্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে ভাষা সাহিত্যৰ যি অমৃত ভাণ্ডাৰ দি থৈ গ'ল, সি সঁচাকৈয়ে অতুলনীয়।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। আনন্দৰাম বৰুৱাৰ জন্ম ক'ত হৈছিল?

(ক) গুৱাহাটীত

(খ) উত্তৰ গুৱাহাটীত

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। তেওঁৰ পিতৃ-মাতৃৰ নাম কি?

উত্তৰঃ পিতৃ গৰ্গৰাম বৰুৱা আৰু
মাতৃ দুৰ্লভেশ্বৰী বৰুৱা

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। আনন্দৰাম বৰুৱাই কলকাতাৰ কোন কলেজত নামভর্তি কৰিছিল?

উত্তৰঃ আনন্দৰাম বৰুৱাই কলকাতাৰ প্ৰেছিডেন্সী কলেজত নামভর্তি কৰিছিল।